# Phone call between Prime Minister Shri Narendra Modi and H.E. (Dr.) Alexander Van der Bellen, Federal President of the Republic of Austria

May 26, 2020

---

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰপতি মহামহিম ড০ আলেক্সজেণ্ডাৰ ভান দেৰ বেলেনৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

মে’ 26, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰপতি মহামহিম ড০ আলেক্সজেণ্ডাৰ ভান দেৰ বেলেনৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰপতি গৰাকীয়ে ভাৰতত আম্ফানৰ ফলত হোৱা ক্ষতিৰ বাবে সমবেদনা জ্ঞাপন কৰে। নেতা দুগৰাকীয়ে ক’ভিড-19 মহামাৰীৰ ফলত দেশ দুখনৰ স্বাস্থ্য আৰু অৰ্থনীতিৰ ওপৰত পৰা প্ৰভাৱৰ মোকাবিলা কৰাৰ কাৰণে পৰস্পৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে মত বিনিময় কৰে। সাম্প্ৰতিক প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা গঢ়ি তোলাৰ ওপৰত তেওঁলোকে সহমত পোষণ কৰে।

ক’ভিডৰ পৰৱৰ্তী বিশ্বত ভাৰত-অষ্ট্ৰিয়াৰ সম্পৰ্কক আৰু অধিক দৃঢ় আৰু প্ৰশস্ত কৰাৰ দিশত নেতা দুগৰাকীয়ে আগ্ৰহ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে দুয়োখন দেশৰ মাজত আন্তঃগাথনি, প্ৰযুক্তিবিদ্যা, গৱেষণা আৰু উদ্ভাৱন আদিৰ ক্ষেত্ৰত আৰু অধিক সহযোগিতা বৃদ্ধিৰ সম্ভাৱনাসমূহৰ কথা উল্লেখ কৰে।

দুয়োগৰাকী নেতাই আশা প্ৰকাশ কৰে যে সাম্প্ৰতিক স্বাস্থ্য সংকট অতি শীঘ্ৰে বিশ্ববাসীয়ে দূৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে পৰিৱেশ সুৰক্ষাৰ দৰে দীৰ্ঘম্যাদী চিন্তাৰ বিষয়সমূহৰ ওপৰত পুনৰাই দৃষ্টি দিব পাৰিব।

**নতুন দিল্লী**
**মে’ 26, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.